## ১.১ ঃ সম্প্ৰসাৰণৰ অৰ্থ, বৈশিষ্ট্য আৰু উদ্দেশ্য (Meaning, Characteristics and Objectives of Extension)

### ১.১.১ ঃ সম্প্ৰসাৰণৰ অৰ্থ (Meaning of Extension)

পূৰ্বতে কৃষকৰ জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ গৱেষণালব্ধ জ্ঞানৰ প্ৰসাৰ ঘটোৱাকে সম্প্ৰসাৰণ (Extension) বুলি বিবেচনা কৰা হৈছিল। সেয়েহে সম্প্ৰসাৰণ কাৰ্যাৱলী কেৱল উৎপাদন বৃদ্ধি, কৃষকৰ প্ৰশিক্ষণ, প্ৰযুক্তিগত কৌশলৰ হস্তান্তৰকৰণ আদিতে সীমাবদ্ধ আছিল। কিন্তু বৰ্তমান সম্প্ৰসাৰণ কাৰ্যাৱলীৰ পৰিসৰে কেৱল কৃষিখণ্ডতে সীমাবদ্ধ নাথাকি অন্যান্য বিশাল ক্ষেত্ৰক আগুৰি লৈছে।

সম্প্ৰসাৰণৰ ইংৰাজী প্ৰতিশব্দ 'Extension' শব্দটো লেটিন ভাষাৰ 'Ex' আৰু 'Tensio' এই শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। 'Ex' মানে 'Out' আৰু 'Tensio' মানে 'Stretching'। অৰ্থাৎ Extension মানে হ'ল 'Stretching Out' যাৰ অৰ্থ হৈছে 'বহলাই দিয়া' বা 'প্ৰসাৰিত কৰা'। গতিকে ব্যুৎপত্তিগত অৰ্থৰ ফালৰ পৰা সম্প্ৰসাৰণ মানে হ'ল কোনো জ্ঞানৰাশিক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত প্ৰসাৰিত কৰা।

'Extension' শব্দটো পোনপ্ৰথমে ইংলেণ্ডত ১৮৬৬ চনত Cambridge আৰু Oxford University-এ ব্যৱহাৰ কৰিছিল আৰু পিছলৈ আন আন দেশৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহেও ইয়াৰ ব্যৱহাৰ কৰিবলৈ লয়। ১৯০৮ চনতেই আমেৰিকাৰ তদানীন্তন ৰাষ্ট্ৰপতি ৰুজভেল্টে বৰ্তমানৰ কৃষিজাত সম্প্ৰসাৰণৰ ৰূপটোৰ বিষয়ে উল্লেখ কৰিছিল। ৰুজভেল্টৰ সম্প্ৰসাৰণ কাৰ্যাৱলীৰ মুখ্য উদ্দেশ্য আছিল কৃষিজাত আৰু গ্ৰাম্য উন্নয়ন কাৰ্যাৱলীত মানুহক প্ৰবিষ্ট কৰি গ্ৰামাঞ্চলৰ পৰা নগৰলৈ মানুহৰ অনুপ্ৰৱেশ ৰোধ কৰা। ভাৰতবৰ্ষত সম্প্ৰসাৰণ কাৰ্যাৱলীৰ আৰম্ভণি ঘটে ১৯২০ চনত F.L. Brayne-এ আৰম্ভ কৰা গুৰগাঁও প্ৰকল্প (Gurgaon Project)ৰ যোগেদি।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ J. P. Leagans-ক সম্প্ৰসাৰণৰ পিতৃ আখ্যা দিয়া হয়। ভাৰতৰ প্ৰেক্ষাপটত সম্প্ৰসাৰণৰ পিতৃ হ'ল K.N. Singh।

সম্প্ৰসাৰণ হ'ল গ্ৰাম্য তথা পিছপৰা লোকৰ বিভিন্ন সমস্যা সমাধানৰ বাবে আগবঢ়োৱা ব্যৱহাৰিক নিৰ্দেশনা সম্বলিত এক অনানুষ্ঠানিক শৈক্ষিক কাৰ্যাৱলী। ইয়াৰ মূল উদ্দেশ্যই হ'ল গ্ৰাম্য লোকৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰা, তেওঁলোকৰ উৎপাদনশীলতা বৃদ্ধি কৰা আৰু দক্ষতা আৰু কৌশলৰ বিকাশ সাধন কৰা।

অৱশ্যে ক্ষেত্ৰভিত্তিক অনানুষ্ঠানিক সম্প্ৰসাৰণ কাৰ্যাৱলীৰ উপৰিও বৰ্তমান সম্প্ৰসাৰণক অধ্যয়নৰ স্বতন্ত্ৰ বিষয় (Discipline) হিচাপেও বিবেচনা কৰা হৈছে। বিষয় হিচাপে সম্প্ৰসাৰণৰ নিজা দৰ্শন, নীতি, তত্ত্ব আৰু পদ্ধতি আছে। আনুষ্ঠানিকভাৱে এই বিষয় অধ্যয়নৰ অন্তত শিক্ষাৰ্থীয়ে স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীও লাভ কৰে। তদুপৰি সম্প্ৰসাৰণত গৱেষণা কাৰ্যও সম্পাদন কৰাৰ সুবিধা আছে। অধ্যয়নৰ স্বতন্ত্ৰ বিষয় হিচাপে সম্প্ৰসাৰণৰ মুখ্য উদ্দেশ্য হ'ল সম্প্ৰসাৰণৰ গৱেষণালব্ধ জ্ঞানৰাশিক গ্ৰাম্য তথা পিছপৰা লোকৰ আৰ্থ-সামাজিক উন্নয়নত প্ৰয়োগ কৰা।

**সম্প্ৰসাৰণৰ সংজ্ঞা** (Definitions of Extension)

The Webster Dictionary (2016)-ৰ মতে, "সম্প্ৰসাৰণ হ'ল বিশ্ববিদ্যালয়লৈ নিয়মিতভাৱে আহিব নোৱাৰা শিক্ষাৰ্থীৰ বাবে ব্যৱস্থা কৰা বিশ্ববিদ্যালয়ৰ এক শাখা।" (Extension is a branch of a University for Students who can not come to attend the University properly)

The American Heritage Dictionary (2016)-ৰ মতে, "সম্প্ৰসাৰণ হ'ল বিশ্ববিদ্যালয়, মহাবিদ্যালয় বা বিদ্যালয়ৰ এনে এক কাৰ্যসূচী যি অপৰম্পৰাগত শিক্ষাৰ্থীৰ, যেনে— কৰ্মৰত প্ৰাপ্তবয়স্কসকল— যি নিয়মিতভাৱে পাঠ গ্ৰহণ কৰিব নোৱাৰে, বাবে শৈক্ষিক নিৰ্দেশনাৰ ব্যৱস্থা কৰে।" (Extension is a programme in a University, College or School, offering academic instruction to non-traditional students such as

working adults, who can not attend classes at the usual place and time.)

Reddy (1991)-ৰ মতে, "মানুহৰ জ্ঞান, মনোভাব আৰু কৌশলৰ আকাংক্ষিত পৰিৱৰ্তন সাধনেই হ'ল সম্প্ৰসাৰণ।" (Extension is bringing about desirable changes in the knowledge, attitudes and skills of the people.)

Ensminger (1957)-ৰ মতে, "সম্প্ৰসাৰণ হ'ল এনে এক শিক্ষা, যাৰ উদ্দেশ্য হ'ল মানুহৰ মনোভাব আৰু অভ্যাসৰ পৰিৱৰ্তন কৰা।" (Extension is education and that its purpose is to change attitudes and practices of the people with whom the work is done.)

The National Commission on Agriculture (1976)-ৰ মতে, "সম্প্ৰসাৰণ হ'ল কৃষিৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত লোকৰ বাবে বিদ্যালয়ৰ আঁওতাৰ বাহিৰৰ এক শিক্ষা তথা সেৱা ব্যৱস্থা, যিয়ে তেওঁলোকক উৎপাদন, ব্যৱস্থাপনা, সংৰক্ষণ আৰু বেহা-বেপাৰ আদিত উন্নত মানৰ কাৰ্যপন্থা হাতত লোৱাত সহায় কৰে।" (Extension is an out of school education and services for the members of the farm family and others directly or indirectly engaged in farm production, to enable them to adopt improved practices in production, management, conservation and marketing.)

গতিকে ক'ব পাৰি যে সম্প্ৰসাৰণ হ'ল এনে এক শৈক্ষিক কাৰ্যসূচী, যি গ্ৰাম্য লোকক তেওঁলোকৰ সমস্যাসমূহ সফলতাৰে সমাধান কৰিবলৈ প্ৰস্তুত বা সাজু কৰি তোলে। ই হ'ল গ্ৰাম্য তথা পিছপৰা লোকৰ জীৱনৰ মানদণ্ড (Quality of Living) আৰু জীৱন ধাৰণৰ মানদণ্ড (Standard of Living) উন্নত কৰিবলৈ গ্ৰহণ কৰা যিকোনো ধৰণৰ শৈক্ষিক কাৰ্যাৱলী তথা জনসজাগতামূলক কাৰ্যাৱলী।

## ১.২ ঃ সম্প্ৰসাৰণৰ নীতি আৰু গুৰুত্ব (Priciple and Importance of Extension)

### ১.২.১ ঃ সম্প্ৰসাৰণৰ নীতি (Principle of Extension)

যিকোনো কামেই সফলভাৱে সমাপন কৰিবলৈ হ'লে তাৰ কিছুমান নীতি-নিয়ম থকা দৰকাৰ। সম্প্ৰসাৰণ এক উমৈহতীয়া কাৰ্য। এই কাৰ্যৰ সফলতা ইয়াৰ নীতিসমূহৰ ওপৰতে নিৰ্ভৰশীল। তলত সম্প্ৰসাৰণৰ নীতিসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

**১। সাংস্কৃতিক ভিন্নতাৰ নীতি** (Principle of Cultural Difference) ঃ সম্প্ৰসাৰণ অভিকৰ্তা, সম্প্ৰসাৰণ কৰ্মী আৰু হিতাধিকাৰীসকলৰ মাজত স্বাভাৱিকতে সাংস্কৃতিক ভিন্নতা পৰিলক্ষিত হয়। এনে ভিন্নতা আনকি হিতাধিকাৰীসকলৰ মাজতো দেখিবলৈ পোৱা যায়। এনে সাংস্কৃতিক ভিন্নতা হয়তো তেওঁলোকৰ অভ্যাস, পৰম্পৰা, বিশ্বাস, মূল্যবোধ, মনোভাব, জীৱনশৈলী আদি বিভিন্ন দিশত থাকিব পাৰে। সেয়েহে কোনো এক সম্প্ৰসাৰণ কাৰ্যাৱলী সফলতাৰে সম্পাদন কৰিবলৈ হ'লে এনে সাংস্কৃতিক বৈচিত্ৰতাৰ মাজত সমন্বয় সাধন কৰাটো নিতান্তই প্ৰয়োজনীয়।

**২। তৃণমূল নীতি** (Grass-Roots Principle) ঃ কোনো এক সম্প্ৰসাৰণ কাৰ্যাৱলী তৃণমূল পৰ্যায়ৰ মানুহক লৈ পৰিকল্পনা কৰা উচিত। এনে কাৰ্যাৱলী স্থানীয় দল, স্থানীয় পৰিস্থিতি আৰু স্থানীয় সমস্যাক লৈ আৰম্ভ কৰিব লাগে। অৰ্থাৎ যাক লৈ সম্প্ৰসাৰণ কাৰ্যাৱলীৰ পৰিকল্পনা কৰা হয়, সেই লোকসকলৰ বৰ্তমানৰ স্থিতি কি, তেওঁলোকৰ প্ৰয়োজনীয়তা কি আৰু তেওঁলোকৰ সমস্যা কি আদি জানি লৈহে আগবাঢ়িব লাগে।

**৩। থলুৱা জ্ঞানৰ নীতি** (Principle of Indigenous Knowledge) ঃ পৃথিৱীৰ সকলো ঠাইৰ লোকৰে প্ৰজন্মজোৰা জ্ঞান-অভিজ্ঞতা আৰু কৌশলৰ ফলশ্ৰুতিত এক নিজস্ব থলুৱা কৰ্মপদ্ধতি আৰু জ্ঞানভাণ্ডাৰ গঢ় লৈ উঠে আৰু ইয়াৰ সহায়তে তেওঁলোকে জীৱনৰ নানান সমস্যাৰ সন্মুখীন হয়। সেয়েহে সম্প্ৰসাৰণ কাৰ্যাৱলী হাতত লওঁতে এই থলুৱা জ্ঞানৰাশিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব লাগে আৰু তাৰ পিছতহে আৱশ্যক অনুযায়ী সংশোধনৰ চেষ্টা কৰা উচিত।

**৪। ৰুচি আৰু প্ৰয়োজনীয়তাৰ নীতি** (Principle of Interests and Needs) ঃ যিকোনো সম্প্ৰসাৰণ কাৰ্যাৱলীৰে আৰম্ভণিৰ বিন্দুটো হ'ল মানুহৰ ৰুচি আৰু প্ৰয়োজনীয়তা। এটা সম্প্ৰসাৰণ কাৰ্যাৱলী তেতিয়াহে সফলকাম হ'ব, যেতিয়া ইয়াক মানুহৰ ৰুচি আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত ৰূপায়ণ কৰা হয়। সেয়েহে সম্প্ৰসাৰণ অভিকৰ্তাসকলে (Agents) কেতিয়াও তেওঁলোকৰ নিজা ৰুচি-অভিৰুচি আৰু প্ৰয়োজনীয়তাক মানুহৰ ওপৰত জাপি দিয়াৰ চেষ্টা কৰিব নালাগে।

**৫। কামৰ মাজেৰে শিকা নীতি** (Principle of Learning by Doing) ঃ আনৰ মৌখিক নিৰ্দেশনাৰ পৰা শিকাতকৈ নিজে হাতে-কামে শিকিলে বেছি ভালকৈ শিকিব পাৰি। হাতে-কামে শিকিলে ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰাৰ লগতে কৌশলটো ভালদৰে আয়ত্ত কৰিব পাৰি। তদুপৰি এনেকৈ শিকিলে আত্মবিশ্বাসো দৃঢ় হয়। সেই কাৰণে সম্প্ৰসাৰণ কাৰ্যাৱলী সম্পাদনৰ বেলিকা মানুহক হাতে-কামে শিকোৱাৰ ওপৰত অত্যধিক গুৰুত্ব দিব লাগে।

**৬। সক্ৰিয় অংশগ্ৰহণৰ নীতি** (Principle of Active Participation) ঃ মানুহৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰতে কোনো এক সম্প্ৰসাৰণ কাৰ্যাৱলীৰ সফলতা নিৰ্ভৰ কৰে। সেইবাবে সম্প্ৰসাৰণ কাৰ্যাৱলীত অংশগ্ৰহণ কৰিবলৈ অভিকৰ্তাসকলে মানুহক অভিৰোচিত কৰিব লাগে। মানুহেও সমস্যাৰ চিনাক্তকৰণ, সমস্যা সমাধানৰ পৰিকল্পনা যুগুত আৰু পৰিকল্পনাৰ ৰূপায়ণত স্বইচ্ছাৰে সহযোগিতা আগবঢ়াব লাগে।

**৭। সমগ্ৰ পৰিয়ালৰ নীতি** (Principle of Whole Family) ঃ পৰিয়ালেই হ'ল সমাজৰ প্ৰাথমিক গোট। সেয়েহে পৰিয়ালৰ মুৰব্বীকে ধৰি গৃহিণী, সতি-সন্ততি আদি পৰিয়ালৰ সকলো সদস্যৰে জীৱনৰ মানদণ্ড উন্নত কৰাই সম্প্ৰসাৰণৰ মূল লক্ষ্য হোৱা উচিত।

**৮। নেতৃত্বৰ নীতি** (Principle of Leadership) ঃ বিভিন্ন দিশত নেতৃত্ব দিব পৰা লোকৰ চিনাক্তকৰণ আৰু তেওঁলোকৰ মাধ্যমেৰে কৰ্ম সম্পাদনেই হ'ল সম্প্ৰসাৰণ কাৰ্যাৱলীৰ সফলতাৰ মূলমন্ত্ৰ। সেয়েহে প্ৰশিক্ষণৰ যোগেদি স্থানীয় লোকৰ মাজত নেতৃত্ব দান ক্ষমতাৰ বিকাশ সাধন কৰা উচিত, যাতে তেওঁলোকে নিজেই নিজৰ জীৱনৰ মানদণ্ডৰ আকাংক্ষিত পৰিৱৰ্তন সাধন কৰিব পাৰে।

**৯। নমনীয়তাৰ নীতি** (Principle of Flexibility) ঃ সম্প্ৰসাৰণ কাৰ্য, ইয়াৰ পদ্ধতি আৰু কৌশলসমূহ স্থানীয় পৰিস্থিতিৰ লগত খাপ খোৱাকৈ নমনীয়বিধৰ হ'ব লাগে। কিয়নো স্থান আৰু কালভেদে মানুহৰ ৰুচি, প্ৰয়োজনীয়তা, সমস্যা, সম্পদ, পৰিস্থিতি আদি ভিন্ন ভিন্ন হয়।

**১০। সন্তুষ্টিৰ নীতি** (Principle of Satisfaction) ঃ সম্প্ৰসাৰণ

কাৰ্যাৱলীৰ ফলাফল তথা পৰিণতিটো সন্তোষজনক হোৱা উচিত। সন্তোষজনক ফলাফলে মানুহক আৰু অধিক পৰিৱৰ্তন কামনা কৰিবলৈ অভিৰোচিত কৰে।

**১১। মূল্যায়নৰ নীতি** (Principle of Evaluation) ঃ সমাজৰ কোনো এক বিশেষ শ্ৰেণীৰ লোকৰ বাবে সম্প্ৰসাৰণ কাৰ্যাৱলী সম্পাদন কৰাৰ পিছত তেওঁলোকৰ আচৰণৰ আকাংক্ষিত পৰিৱৰ্তন হৈছেনে নাই আৰু লগতে তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হৈছেনে নাই তাৰ সঠিক মূল্যায়ন কৰা উচিত।

**১২। গণতান্ত্ৰিক নীতি** (Democratic Principle) ঃ সম্প্ৰসাৰণ কাৰ্যাৱলী গণতান্ত্ৰিক হোৱা উচিত। আলোচনা আৰু পৰামৰ্শৰ মাজেদিহে সম্প্ৰসাৰণ কাৰ্যাৱলী সম্পাদন কৰিব লাগে।

**১৩। প্ৰশিক্ষণপ্ৰাপ্ত বিশেষজ্ঞৰ নীতি** (Principle of Trained Specialist) ঃ সম্প্ৰসাৰণ কাৰ্যাৱলীত প্ৰশিক্ষণপ্ৰাপ্ত বিশেষজ্ঞৰ ব্যৱস্থা কৰিব লাগে, যাতে তেওঁলোকৰ গৱেষণালব্ধ জ্ঞানৰাশিক অভিকৰ্তাৰ মাধ্যমেদি স্থানীয় লোকৰ মাজত প্ৰসাৰ আৰু প্ৰচাৰ কৰি জীৱনৰ মানদণ্ড উন্নত কৰিব পাৰি।

**১৪। স্থানীয় সম্পদৰ ব্যৱহাৰৰ নীতি** (Principle of use of Local Resources) ঃ সম্প্ৰসাৰণ কাৰ্যাৱলীত স্থানীয় ভৌতিক আৰু মানৱ সম্পদ উভয়ৰে সৰ্বোত্তম ব্যৱহাৰ কৰিব লাগে।

সম্প্ৰসাৰণ কাৰ্যাৱলীৰ পৰিকল্পনা আৰু ৰূপায়ণত উপৰোক্ত নীতিসমূহ মানি চলিলেহে আকাংক্ষিত ফলাফল লাভ কৰিব পৰা যাব। সেয়েহে সম্প্ৰসাৰণ কাৰ্যাৱলী সম্পাদনৰ বেলিকা সম্প্ৰসাৰণৰ নীতিসমূহৰ সঠিক প্ৰয়োগৰ ওপৰত বিশেষ মনোযোগ দিয়া উচিত।

## ১.২.২ ঃ সম্প্ৰসাৰণৰ গুৰুত্ব (Importance of Extension)

দেখা যায় যে বৰ্তমান যিবোৰ নীতি, পদ্ধতি আৰু কৌশল অৱলম্বন কৰি মানুহে জীৱনৰ নানানটা সমস্যাৰ সন্মুখীন হৈছে সেই একেবোৰ নীতি, পদ্ধতি আৰু কৌশল ভৱিষ্যতে অচল প্ৰমাণিত হয়। সেয়েহে মানুহে জীৱনৰ খোজত খোজ